**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক আজি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সমগ্ৰ জিলাখনত আবেলিৰ পৰা সান্ধ্য আইন জাৰি কৰা হয়। জিলাখনত সন্ধিয়াৰ পৰা মোবাইল ইণ্টাৰনেট সেৱাও কৰ্তন কৰা হৈছে। আমাৰ বাক্সাৰ সংবাদদাতাই জনোৱা মতে আজি দুপৰীয়াৰ ভাগত অভিযুক্তকেইজনক গুৱাহাটীৰ পৰা কাৰাগাৰলৈ লৈ গৈ থকা অৱস্থাত নিকাছিৰ কাৰাগাৰৰ প্ৰৱেশদ্বাৰৰ সমীপত আৰক্ষীৰ বাহনক লক্ষ্য কৰি স্থানীয় একাংশ লোকে আক্ৰমণ কৰাত হঠাৎ পৰিস্থিতি জটিল হৈ পৰে। উত্তেজিত লোকসকলে আৰক্ষীৰ বাহনলৈ শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে কন্দুৱা গেছ প্ৰয়োগ কৰে যদিও বিফল হোৱাত শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়। গুলীচালনাত এজন লোক গুলীবিদ্ধ হোৱাৰ উপৰি আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজৰ হতাহতিত আৰক্ষী আৰু সাংবাদিককে ধৰি বহুকেইজন লোক আহত হয়। ইতিমধ্যে জিলাখনত অতিৰিক্ত নিৰাপত্তাৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ দল মোতায়েন কৰা হৈছে।

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত আজি এছ আই টিয়ে পুনৰ তিনিগৰাকী প্ৰবাসী অসমীয়া সুস্মিতা গোস্বামী, প্ৰীতম ভূঞা আৰু দেৱজ্যোতি হাজৰিকাৰ ভাষ্য গ্ৰহণ কৰে। এছ আই টিয়ে বৰ্তমানলৈকে ১১ গৰাকী প্ৰবাসী অসমীয়াৰ ভাষ্য গ্ৰহণ কৰিছে।

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীৰ অসম ভৱনত ছিংগাপুৰৰ উচ্চায়ুক্ত এলিছ চেঙৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই মৃত্যুৰ তদন্তত ছিংগাপুৰ চৰকাৰৰ সহযোগিতা কামনা কৰে। বৈঠকৰ অন্তত ড০ শৰ্মাই সাংবাদিকৰ আগত ছিংগাপুৰ আৰক্ষীয়ে শীঘ্ৰেই তদন্তৰ সবিশেষ প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে। ছিংগাপুৰ আৰক্ষীয়ে অনুমতি দিলে তদন্তৰ বাবে এছ আই টিৰ দল অতি সোনকালে দেশখনলৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত পেছাদাৰীভাৱে চলিছে বুলি উল্লেখ কৰি তেওঁ অসমবাসীক ধৈৰ্য ধৰিবলৈ আৰু চৰকাৰ তথা ন্যায়ালয়ৰ ওপৰত আস্থা ৰাখিবলৈ আহ্বান জনায়।

**বাইট (চি এম)**

০০০০

অহা ১৭ অক্টোবৰত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুক্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰিছে। ইপিনে, অহা

২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে স্বচ্ছ আৰু নিকা নিযুক্তিৰ ক্ষেত্ৰত গতি অব্যাহত ৰখাৰ অংশ হিচাপে চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰিছে। তেওঁ লগতে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লোৱা হৈছে বুলিও প্ৰকাশ কৰে। আজি এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হয়।

০০০০০

শ্ৰীভূমি আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে যুটীয়া অভিযান চলাই শেখৰবন্ধত আজি ২২ হাজাৰ য়াবা টেবলেট জব্দ কৰে। জব্দ কৰা টেবলেটখিনিৰ বজাৰ মূল্য প্ৰায় চাৰে ছয় কোটি টকা বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে গোপন সূত্ৰৰ পম খেদি অঞ্চলটোত অভিযান চলাই অবৈধ মাদক দ্ৰব্য সৰবৰাহৰ সৈতে জড়িত এজন লোকক আটক কৰে।

০০০০০

বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনত দুৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত জিলাখনৰ বিভিন্ন বিভাগৰ আন্তঃগাথনি নিৰ্মাণৰ সৈতে জড়িত লোকসকলক ভূমিকম্প প্ৰতিৰোধ কৰিব পৰা নিৰ্মাণশৈলী সন্দৰ্ভত অভিজ্ঞ অভিযন্তাসকলৰ দ্বাৰা বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই কৰ্মশালাত প্ৰায় ৭০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০

দৰদী শিল্পী জয়ন্ত হাজৰিকাৰ ৪৮ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন ঠাইত বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। টংলা বাদ্যযন্ত্ৰী শিল্পী মঞ্চৰ উদ্যোগত ছহিদ সুজিত নাৰ্চাৰী সোঁৱৰণি প্ৰেক্ষাগৃহত শিল্পীগৰাকীৰ মৃত্যুৰ তিথি উপলক্ষে আজি বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জয়ন্ত হাজৰিকাৰ গীতৰ এখনি প্ৰতিযোগিতা অনুষ্ঠিত হয়। গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ সাংস্কৃতিক প্ৰকল্পটো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পীগৰাকীৰ স্মৃতি দিৱস উদযাপন কৰা হয়।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**